**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 12**-09-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

১। অষ্টাদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে কালি সন্ধিয়া ভালেসংখ্যক বিদেশী নেতা আৰু জ্যেষ্ঠ বিষয়া নতুন দিল্লীত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰাচিয়াৰ ৰাষ্ট্ৰপতি, ইৰানৰ ৰাষ্ট্ৰপতি আৰু ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানৰ সৈতে কালি নতুন দিল্লীত পৃথকে পৃথকে বৈঠকত মিলিত হয়।

৩। চৰকাৰে প্ৰধানমন্ত্ৰী আবাস যোজনা- নগৰীয়াৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ১৮ লাখ ৭৭ হাজাৰ বাসগৃহত অনুমোদন জনাইছে।

৪। নতুন দিল্লীত হ'বলগীয়া ব্ৰীকছ্ শীৰ্ষ সন্মিলনৰ প্ৰতি লক্ষ্য ৰাখি আজি ৰাজধানী মহানগৰখনৰ প্ৰধান পথসমূহত যান-বাহন চলাচলৰ দিশ সলনি কৰা হৈছে।

*আৰু*

৫। চীনৰ ম'কিত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত আজি ভাৰতীয় মহিলা দলটোৱে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব।

ooooo

অষ্টাদশ ব্ৰীকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ইতিমধ্যে ভালেসংখ্যক বিদেশী নেতা আৰু জ্যেষ্ঠ বিষয়া নতুন দিল্লীত উপস্থিত হৈছে। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবাবো ছুবিয়াণ্টোই যোৱা নিশা ৰাজধানী মহানগৰখনত উপস্থিত হৈছে। ৰাষ্ট্ৰপতিগৰাকীক কেন্দ্ৰীয় কয়লা আৰু খনি ৰাজ্য মন্ত্ৰী সতীশ চন্দ্ৰ ডুবেই বিমান বন্দৰত আদৰণি জনায়।

বুৰুণ্ডিৰ ৰাষ্ট্ৰপতি এভাৰিষ্টে নাডাইছিমিয়ে আফ্ৰিকান ইউনিয়নক প্ৰতিনিধিত্ব কৰি ব্ৰীকছ সন্মিলনত অংশগ্ৰহণৰ বাবে কালি নতুন দিল্লীত উপস্থিত হয়। তেওঁক কেন্দ্ৰীয় গধূৰ উদ্যোগ আৰু তীখা ৰাজ্য মন্ত্ৰী ভূপাথীৰাজু শ্ৰীনিবাস বাৰ্মাই আদৰণি জনায়।

আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ান আৰু মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমেও ইতিমধ্যে ভাৰতত উপস্থিত হৈছে। দুয়োগৰাকী অতিথিক কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে বিমান বন্দৰত আদৰণি জনায়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে আবুধাবিৰ যুৱৰাজগৰাকীৰ ভাৰতলৈ এই আগমনৰ সুবাদতে ভাৰত আৰু সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰৰ মাজত সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব শক্তিশালী হ'ব আৰু বাণিজ্য তথা শক্তি সুনিশ্চিতকৰণৰ দিশত ই ইতিবাচক প্ৰভাব পেলাব। ভাৰত আৰু মালয়েছিয়াৰ

দীৰ্ঘদিনীয়া ঘনিষ্ঠ সম্বন্ধৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভাৰত ভ্ৰমণে বাণিজ্য, বিনিয়োগ, ডিজিটেল অৰ্থনীতি, প্ৰতিৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত দুয়ো দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰিব।

ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল ফটাহ অল ছিছি, ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি মহম্মদ আলীও কালি সন্ধিয়া নতুন দিল্লীত উপস্থিত হয়। দুয়োগৰাকী নেতাক কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় সেথে আদৰণি জনায়। উল্লেখযোগ্য যে ভাৰত আৰু ইজিপ্তৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। একেদৰে ভাৰত আৰু ইথিওপিয়াই কৌশলগত অংশীদাৰিত্বৰে বিভিন্ন খণ্ডত একেলগে কাম কৰি আহিছে।

ফিলিপিন্সৰ ৰাষ্ট্ৰপতি ভাৰ্ডিনান্দ মাৰ্কোছ জুনিয়ৰ, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, ৰাছিয়াৰ উপ-প্ৰধানমন্ত্ৰী এলেক্সে অভাৰচ্যুক আৰু থাইলেণ্ডৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ছিহাছক ফুনাংগকেটকেও আৰু নাইজেৰিয়াৰ উপ-ৰাষ্ট্ৰপতি কাছিম ছেট্টিমা কালি নতুন দিল্লীত উপস্থিত হয়।

ব্ৰাজিল, চীন, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ভাৰত, ৰাছিয়া, ইৰাণ, চৌদি আৰব, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ইকে ধৰি ১১খন গুৰুত্বপূৰ্ণ বিকাশশীল অৰ্থব্যৱস্থাৰ দেশে অংশগ্ৰহণ কৰিব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে নতুন দিল্লীত ব্ৰীকছ সন্মিলনৰ বাবে উপস্থিত হোৱা বিশ্বৰ বিভিন্ন প্ৰান্তৰ কেইবাখনো দেশৰ নেতাৰ সৈতে উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব আৰু বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰি জনসাধাৰণৰ কল্যাণৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাচিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিন, ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন আৰু ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে কালি নতুন দিল্লীত এখন বৈঠকত মিলিত হয়।

এই বৈঠকত ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিন আৰু দুগৰাকী নেতাই ৰাজনীতি, বাণিজ্য আৰু অৰ্থনীতি, প্ৰতিৰক্ষা, শক্তি, মহাকাশ খণ্ড, দক্ষতা বিকাশ, আদিকে ধৰি ভাৰত-ৰাছিয়া সহযোগিতাৰ বিভিন্ন দিশৰ ব্যাপক পৰ্যালোচনা কৰে। নতুন দিল্লীত অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাত নেতা দুগৰাকীয়ে পশ্চিম এছিয়াৰ সংঘাত, ব্লেক চিৰ আদি বিভিন্ন আঞ্চলিক আৰু আন্তৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত নিজৰ মত ব্যক্ত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দোহাৰে যে আলোচনা আৰু কূটনৈতিক সম্পৰ্কৰ জৰিয়তে সংঘাত পুনৰ সমাধান কৰিব পৰা যায়। শান্তি প্ৰক্ৰিয়া স্থাপনৰ এই প্ৰচেষ্টাত ভাৰত সদায় সাজু বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতি পুটিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ২৪ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশ ল'বলৈ ৰাছিয়ালৈ আমন্ত্ৰণ জনাইছে। বৰ্তমানলৈ যদিও এই সন্মিলনৰ দিন নিৰ্ধাৰিত হোৱা নাই, তথাপি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতিগৰাকীৰ এই আমন্ত্ৰণত সন্মতি জনাইছে।

ইৰানৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়নৰ সৈতে হোৱা দ্বিপাক্ষিক বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে পশ্চিম এছিয়াত হোৱা শেহতীয়া কাৰ্যকলাপৰ বিষয়ে আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতে সকলো সমস্যা আলোচনাৰ মাধ্যমেৰে আৰু কূটনৈতিকভাৱে সমাধান কৰাৰ প্ৰতি আগ্ৰহী বুলি দোহাৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে অঞ্চলটোত শান্তি আৰু স্থিৰতা বজাই ৰখাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে। তেওঁ ব্ৰীকছ সন্মিলনত ভাগ লোৱাৰ বাবে ইৰাণক ধন্যবাদ জ্ঞাপন কৰে। ইৰানৰ ৰাষ্ট্ৰপতিগৰাকীয়েও প্ৰধানমন্ত্ৰী মোদীক ধন্যবাদ জ্ঞাপন কৰি এইদৰে কয়-

(বাইট ঃ ইৰান)

প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই গোলকীয় সংঘাট, ইয়াৰ সমাধান, বহনক্ষম উন্নয়ন, নৱীকৰণযোগ্য শক্তি, গোলকীয় খাদ্য সুৰক্ষা আৰু জনসাধাৰণ কেন্দ্ৰীক কৃত্ৰিম বুদ্ধিমত্তা সন্দৰ্ভত যথেষ্ট আলোচনা কৰে। শ্ৰী গুটেৰেছে ভাৰতে চতুৰ্থবাৰলৈ ব্ৰীকছ সন্মিলনৰ অধ্যক্ষতা কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

00000

ব্ৰিকছ (BRICS) শীৰ্ষ সন্মিলনৰ সমান্তৰালকৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক তামিল ভাষাৰ চিৰন্তন জ্ঞান আৰু ঐতিহ্যৰ বিষয়ে থকা গ্ৰন্থ 'তিৰুক্কুৰাল'ৰ ৰুছ ভাষালৈ হোৱা অনুবাদ গ্ৰন্থ উপহাৰ হিচাপে প্ৰদান কৰাৰ বাবে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰিছে । সামাজিক মাধ্যমত দিয়া এক পোষ্টত শ্ৰী ৰাধাকৃষ্ণনে ইয়াক দেশৰ ঐতিহ্যমণ্ডিত সভ্যতাৰ সুন্দৰ উদযাপন বুলি অভিহিত কৰে। দেশৰ চিৰন্তন জ্ঞান আৰু চহকী ঐতিহ্যই বিভিন্ন ভাষা আৰু সীমা অতিক্ৰম কৰি বিশ্বত প্ৰসাৰিত হোৱা কাৰ্যত তেওঁ আনন্দ প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে তিৰুৱল্লুৱৰৰ সাৰ্বজনীন জ্ঞানে ভাষা, সংস্কৃতি আৰু সীমাৰ প্ৰাচীৰ ভাঙি ভাৰতৰ চিৰন্তন বাৰ্তা বিশ্ব দৰবাৰলৈ কঢ়িয়াই নিছে।

00000

চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰীয়াৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ১৮ লাখ ৭৭ হাজাৰ বাসগৃহত অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে এই আঁচনিখনৰ ৰূপায়ণ অধিক ত্বৰান্বিত কৰাৰ লগতে নগৰাঞ্চলত 'সকলোৰে বাবে গৃহ'ৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে। যোৱা বৃহস্পতিবাৰে নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় অনুমোদন তথা নিৰীক্ষণ সমিতিৰ নৱমখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ নগৰ উন্নয়ন বিভাগৰ সচিব সত্যেন্দ্ৰ সিঙে এই বৈঠকত পৌৰহিত্য কৰে।

বৈঠকত এই আঁচনিৰ হিতাধিকাৰীৰ নেতৃত্বাধীন নিৰ্মাণ আৰু অংশীদাৰিত্বৰে ব্যয়সাধ্য গৃহ শাখাৰ অধীনত প্ৰায় ২৯ হাজাৰ অতিৰিক্ত বাসগৃহৰ অনুমোদন দিয়া হয়। এই অনুমোদনে অসম, বিহাৰ, গুজৰাট, তেলেংগানা, ত্ৰিপুৰা আৰু উত্তৰ প্ৰদেশ—এই ছখন ৰাজ্যক সামৰি লৈছে। ৰাজ্যসমূহক উদ্দেশ্যি শ্ৰী সিঙে এই আঁচনিখনৰ সুবিধাসমূহ যাতে সকলো যোগ্য হিতাধিকাৰীয়ে লাভ কৰিব পাৰে তাৰবাবে আঁচনিখনৰ সময়োপযোগী আৰু ফলপ্ৰসূ ৰূপায়ণ তথা নিৰীক্ষণ নিশ্চিত কৰাৰ বাবে সমন্বিত প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

00000

নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া ব্ৰিকছ সন্মিলনৰ প্ৰতি লক্ষ্য ৰাখি আজি পুৱা চাৰে ন বজাৰ পৰা নিশা ৯ বজালৈ ৰাষ্ট্ৰীয় ৰাজধানীৰ প্ৰধান পথসমূহত যান-বাহনৰ চলাচল নিয়ন্ত্ৰণ কৰাৰ লগতে পথত যান বাহন চলাচলৰ দিশ সলনি কৰা হ'ব। যাত্ৰীসকলক যাত্ৰাৰ পূৰ্ব পৰিকল্পনা কৰাৰ লগতে হাতত অতিৰিক্ত সময় লৈ ওলাবলৈ যান বাহন আৰক্ষীয়ে পৰামৰ্শ দিছে। লগতে সম্ভৱপৰ সকলো স্থানত নাগৰিকসকলক ৰাজহুৱা পৰিবহণ, বিশেষকৈ মেট্ৰ' ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে দিল্লীৰ যান বাহন আৰক্ষীয়ে নিৰ্ধাৰিত বিকল্প পথসমূহ ব্যৱহাৰ কৰিবলৈ আৰু ট্ৰেফিক আৰক্ষীৰ নিৰ্দেশনা মানি চলিবলৈ নাগৰিকসকলক অনুৰোধ জনাইছে। ইয়াৰ লগতে কয় যে জৰুৰীকালীন আৰু অত্যাৱশ্যকীয় সেৱাৰ বাহনসমূহক অগ্ৰাধিকাৰ ভিত্তিত পাৰ হৈ যাবলৈ দিয়া হ'ব বুলিও জনোৱা হৈছে ।

00000

প্ৰধানমন্ত্ৰী কিষান মানধন যোজনাই সাত বছৰ সম্পূৰ্ণ কৰে। ২০১৯ চনৰ ১১ ছেপ্টেম্বৰত এই আঁচনি মুকলি কৰা হৈছিল। এই আঁচনিৰ জৰিয়তে ৬০ বছৰ বয়সৰ পৰা ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলক মাহিলি পেঞ্চন দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰতি মাহে এই আঁচনিৰ অধীনত ৬০ বছৰ পাৰ কৰা কৃষকসকলক তিনি হাজাৰ টকাকৈ পেঞ্চন দি অহা হৈছে। ইয়াৰ জৰিয়তে খেতিয়কসকলে বৃদ্ধ বয়সত বিত্তিয় নিৰাপত্তাৰ লগতে সন্মানো লাভ কৰিছে।

00000

চীনৰ মোকিত চলি থকা জুনিয়ৰ এছিয়া কাপৰ প্ৰথমখন ছেমিফাইনেলত আজি ভাৰতীয় মহিলা দলটোৱে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব ভাৰতীয় সময় অনুসৰি পুৱা ৯ বাজি ৪৫ মিনিটত খেলখন আৰম্ভ হ'ব। কোৱাৰ্টাৰ ফাইনেলত পাকিস্তানক ১৯-০ ব্যৱধানত পৰাস্ত কৰি যোৱাবাৰৰ চেম্পিয়ন ভাৰতে ছেমিফাইনেলত প্ৰৱেশ কৰে। তিনিখন খেলত আকৰ্ষণীয় জয় আৰু এখন অমীমাংসিত হৈ ৰোৱা খেলত মুঠ ১০ পইণ্ট লাভ কৰি ভাৰতে অপৰাজিত হৈ থকাৰ অভিলেখসহ এলিট পুল 'এ'ৰ শীৰ্ষ স্থান দখল কৰে।

আনখন ছেমিফাইনেলত আয়োজক দেশ চীন জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কোৱাৰ্টাৰ ফাইনেলত চীনে কাজাখাস্তানক ৪-০ ব্যৱধানত পৰাস্ত কৰাৰ বিপৰীতে জাপানে বাংলাদেশক ২-০ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰে ।

00000

**সমাপ্ত**